# প্ৰধান শিক্ষকে শিক্ষকৰ পেছাধাৰী দক্ষতাৰ পৰিচয় শিক্ষণ-শিকনত কেনেকৈ দিব পাৰে ? (How to introduce Professional Performance of Teachers in Teaching Learning Process by Head Maser/Principal)

**ড° দেৱ কুমাৰ দত্ত**
**অৱসৰীযুটীয়া সঞ্চালক,**
**ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ**

**প্ৰস্তাৱনা** (Preamble):

শিক্ষণ-শিকন প্ৰক্ৰিয়াবিলাক অনুসন্ধান আৰু সৃজনীশীলতাৰে শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় অংশগ্ৰহণৰ ফলত শিকনৰ বিকাশ হয়। বিদ্যালয়খনৰ প্ৰধান হিচাপে শিক্ষণীয় পাঠ, শিক্ষাদান পদ্ধতি, ফলাফল, মূল্যায়ন পদ্ধতি, নেতৃত্ব প্ৰদান আৰু নিৰীক্ষণৰ লগতে নিৰীক্ষক হিচাপে বিদ্যালয়ৰ শৈক্ষিক দিশ সুচাৰুৰূপে লৈ যোৱাত দক্ষতাৰ পৰিচয় দিয়ে। ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰিব পৰা জ্ঞান, বিষয়বস্তু আয়ত্তাধীন, শিকন-শিক্ষণসজুঁলিৰ সঠিক ব্যৱহাৰ, পাঠপৰিকল্পনা, পাঠ্যপুথি, ব্যৱহাৰ কৰিব লগা দৃশ্য-শ্ৰাব্য সজুঁলিবোৰ শিকন সামগ্ৰীৰ মজুত আৰু ব্যৱহাৰ হোৱাত বিদ্যালয় প্ৰধানৰ দায়িত্ব আৰু কৰ্ত্তব্য অত্যন্ত দৰকাৰী। প্ৰধান শিক্ষকজনৰ জ্ঞান, দক্ষতা আৰু দৃষ্টি ভংগীৰ পৰাই পেছাদাৰী শিক্ষকৰ বিকাশ ঘটে। পাঠ্যপুথিৰ জ্ঞানৰ উপাদানবোৰ শিক্ষকে আয়ত্ত কৰি সঠিক দৃষ্টিভংগীৰে পাঠদান কাৰ্য সমাধান কৰিলে বিদ্যায়তনিক পৰিৱৰ্তন অনাৰ উপৰি শিক্ষকজনৰো দক্ষতা বৃদ্ধি পায়। প্ৰধান শিক্ষকৰ নেতৃত্বৰ জৰিয়তে শিক্ষকৰ পাঠদান ও দৃষ্টিভংগী আৰু চিন্তাধাৰাই শ্ৰেণী কাৰ্য সুচাৰুৰূপে পৰিচালনা কৰাত পেছাগত বিকাশত পৰিৱৰ্তন আনিব পাৰে।

**মডিয়ুলৰ লক্ষ্যবোৰ হৈছে** (Learning Objectives):-

(১) শিক্ষক শিক্ষয়িত্ৰীসকল নিৰ্দেশনাত্মক দিশ বোৰৰ লগত পৰিচিত হোৱা আৰু ইয়াৰ সঠিক ব্যৱহাৰৰ বিষয়ে জনা

(২) শিক্ষকৰ পাঠদান কাৰ্যৰ পৰিকল্পনা লগত শিকনশৈলীবোৰৰ সংযোজন ঘটোৱা, ব্যৱহাৰ কৰি শিক্ষণৰ মাত্ৰা বৃদ্ধি কৰা

(৩) শিক্ষকৰ পেচাদাৰী দক্ষতাৰ বিকাশৰ জৰিয়তে শিক্ষণ শিকনত সহশিক্ষকৰ মতামত, পৰামৰ্শ লৈ শিকনৰ ফলাফলৰ হাৰ বৃদ্ধি কৰা।

**ব্যৱহৃত মূল শব্দবোৰ** (Key words used)

সাংকেতিক শিকনশৈলী, শিকনৰ মান, পাৰদৰ্শিতাৰ ফলাফল, নিৰ্দেশনাত্মক বিষয়বস্তু, সম্পদশৈলীৰ ব্যৱহাৰ, অভিৰোচন, প্ৰৰোচিত কৰা,

শিকনৰ দৃঢ়তা বৃদ্ধি, নেতৃত্ববহনকাৰী শিক্ষক, সহকৰ্মীৰ বৈঠক, উদ্ভাৱনীমূলক শিকন।

শিক্ষকৰ পেছাদাৰী বিকাশ আৰু বৃত্তিগত দক্ষতাৰ বিকাশ প্ৰধানত চাৰিটা পৰ্যায়ত প্ৰতিফলিত হোৱা দেখা যায়। পৰ্যায়কেইটা উল্লেখ কৰা হ'ল-

(১) নিৰ্দেশনাত্মক পৰ্যায়(Instructional Stage)

(২) পৰিকল্পনাত্মক পৰ্যায়(Planning Stage)

(৩) পৰিৱেশজনিত  পৰ্যায় আৰু(Environmental/Situational stage)

(৪) পেছাগত বা বৃত্তিগত দক্ষতা সম্পন্ন পৰ্যায়(Professional or Performance stage)

**(১) নিৰ্দেশনাত্মক পৰ্যায়**(Instructional Stage)–প্ৰচলিত পাঠ্যপুথিৰ বিষয়ভিত্তিক স্তৰৰ পৰা শ্ৰেণী কক্ষত পাঠদান কাৰ্য কৰিবলৈ শিক্ষক সকলক প্ৰয়োজন হোৱা সকলো নীতি নিৰ্দেশনাবোৰ শিক্ষকজনে সহজে গ্ৰহণ কৰে। পাঠ্যত থকা শিকনীয় দিশবোৰ, অৰ্হতা, উপ-অৰ্হতাবোৰ আৰু শিকনীয় দিশবোৰ আয়ত্ত কৰিবলৈ অভ্যাসৰ প্ৰয়োজন। শ্ৰেণীৰ পাঠপৰিকল্পনাত সংযোজিত নিৰ্দিষ্ট অৰ্হতাবোৰৰ আয়ত্ত কৰিবলৈ দৃশ্য-শ্ৰাব্য সামগ্ৰীৰ ব্যৱহাৰ, উদাহৰণ, ব্যাখ্যামূলক ধাৰণা, চিনাক্তকৰণ, নামকৰণ, শিক্ষণ-শিকন সামগ্ৰীৰ ব্যৱহাৰ প্ৰয়োজনমতে শ্ৰেণীকক্ষত ব্যৱহাৰ কৰাৰ কাৰণে ধাৰণা স্পষ্ট হয়, শিকনৰ মাত্ৰা বৃদ্ধি পায়, নিৰ্দিষ্ট দিশত পাৰ্গত হৈ পৰে আৰু কিছুমান ক্ষেত্ৰত অধিক যোগ্য হৈ শিকনৰ কৌশল  আয়ত্ত কৰিব পাৰে। শ্ৰেণীৰ শিক্ষকে এইটো মনত ৰাখিব যে শিক্ষণ- শিকন সঁজুলিবোৰৰ বহুমাত্ৰিক ৰূপত ব্যৱহাৰৰ সুবিধা আছে। আপুনি শিক্ষক হিচাপে শ্ৰেণীকক্ষত নিৰ্দেশনাত্মক বিষয়বস্তু উপস্থাপন কৰোঁতে মনত ৰাখিব-

(ক) দৃশ্য-শ্ৰাব্য সামগ্ৰীবোৰ পাঠটোৰ শিকনীয় দিশত সংযোগ স্থাপন কৰে। পাঠৰ গঠন প্ৰণালী চমুকৈ দাঙি ধৰে আৰু অন্তৰ্নিহিত শিকনৰ দিশ প্ৰতিফলিত কৰে।

(খ) ব্যাখ্যামূলক আলোচনা, উদাহৰণ, সাদৃশ্য দেখুওৱা, অনুৰূপ উপমাবোৰ, যিবিলাক কথা বা কাৰ্য তুলনা কৰিব পাৰে এনেবোৰ কাৰ্যৰ দ্বাৰা নতুন ধাৰণা আৰু জ্ঞান স্পষ্ট কৰিব পৰা যায়।

(গ) শিক্ষকজনে নিজে ভবা বা কৰিব বিচৰা কাৰ্যখিনি শিকনীয় সামগ্ৰীবোৰ ব্যৱহাৰৰ দ্বাৰা সহজে উপস্থাপন কৰিব পাৰে। উপযুক্ত শিকনৰ মাত্ৰাত সামগ্ৰী প্ৰদৰ্শন কৰি ভবামতে শিকাৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰিব পাৰে।

(ঘ) সংক্ষিপ্তৰূপত শিকনীয় দিশবোৰ আদান-প্ৰদান বা আলোচনা বা কথোপকথন কৰিব পাৰি।

(ঙ) যুক্তিসংগত বা কাৰ্যকৰণৰ বাবে বিশ্লেষনাত্মকভাৱে ক্ৰমানুসাৰে সজাই ললে পাঠ বিভাজন কৰাত সহায়ক হয়।

(চ) সকলোবোৰ লাগতীয়াল আলোচনা তথ্যপাতি ব্যৱহাৰ কৰিব পাৰি।

(ছ) কামত ব্যৱহাৰ নকৰা, অপ্ৰয়োজনীয়, সন্দেহ সৃষ্টি কৰা- তেনেধৰণৰ সামগ্ৰী শ্ৰেণীৰ শিকন কক্ষত ব্যৱহাৰ নকৰিব।

(জ) শিকন সামগ্ৰীবোৰ কেৱল নিৰ্দিষ্ট সময়লৈকে ব্যৱহাৰ কৰিব, আপুনি সম্পূৰ্ণ গোটেই সময়খিনি অন্যদিশ আলোচনাৰ সময়ত ব্যৱহাৰ বা প্ৰদৰ্শন নকৰিব।

এতিয়া আপুনি নিজৰ শিক্ষণ শৈলীৰ ব্যৱহাৰ কৰক-

(ক) দৃশ্য-শ্ৰাব্যমূলক সামগ্ৰীয়ে পাঠটিৰ শিকনীয় দিশ স্থাপন নকৰে, পাঠ গোট,গঠন প্ৰণালী দাঙি ধৰে আৰু অন্তনিহিত শিকনৰ দিশ প্ৰতিফলিত কৰে- কেনেকৈ এবাৰ ভাবক চোন ?

দৃশ্য-শ্ৰাব্য সামগ্ৰী ব্যৱহাৰৰ ফলত বা প্ৰদৰ্শনৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলে আগেয়ে আয়ত্ত কৰি অহা পাঠটিৰ সাৰাংশ মনত পেলাবলৈ পুনৰ চেষ্টা কৰে আৰু আজি নতুনকৈ শিকিবলগা শিকনীয় দিশবোৰৰ লগত সংযোগ স্থাপন কৰে বা কৰিববলৈ সুবিধা পায়। দৃষ্টিলব্ধ হোৱাৰ পাছত দিশ প্ৰত্যক্ষ চাক্ষুষ হয় ফলত এতিয়া ক’ত আছে, কি কৰিব বা শিকিব লাগিব, অনুমান কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীবোৰে শিকিব লগা পাঠটিৰ লগত সংযোগ স্থাপন কৰাৰ ওপৰি শিকনৰ দিশ আৰু জ্ঞানৰ বোধগম্যতাত উন্নতি নিজৰ ধাৰণাবোৰ স্পষ্ট কৈ জনাৰ সুবিধা গ্ৰহণ কৰে।

নিৰ্দেশনাত্মক দিশৰ ব্যৱহাৰক ভিত্তিকৰি এইধৰণৰ সামগ্ৰীবোৰ দুটা মূল ভাগত ভগাব পাৰি-

(ক) দৰ্শনমূলক/দৃশ্যশ্ৰাব্য সম্পৰ্কীয় সামগ্ৰীৰে শিকনৰ মাত্ৰা বৃদ্ধিত সহায়ক কৰা

(খ) দৃশ্যমূলক সামগ্ৰীৰে শিক্ষকৰ তথ্যপাতিবোৰ আলোচনাৰ কাৰণে প্ৰণালীবদ্ধভাৱে সজাই তোলা

**(২) পৰিকল্পনাত্মক পৰ্যায়**(Planning Stage)-পাঠ্যক্ৰম, পাঠ্যপুথি আৰু অতিৰিক্ত সহায়ক সমল বা প্ৰয়োজনীয় পুথি, References, Websites, Web Resources ইত্যাদি বছৰৰ আৰম্ভণিতে সংগ্ৰহ কৰি ল’ব।

নিৰ্দিষ্ট বিষয়ৰ শিক্ষণ-শিকনৰ বাবে শিক্ষকৰ আগতীয়া পৰিকল্পনাৰ প্ৰয়োজন। শ্ৰেণী বা বিষয়ৰ পূৰ্বপ্ৰস্তুতি পাঠ আদান প্ৰদানৰ ৰূপৰেখা আৰু আগজাননী। পাঠপৰিকল্পনাৰ জৰিয়তে শিক্ষকৰ নিজৰ কাম, ছাত্ৰ-ছাত্ৰীৰ শ্ৰেণীৰ কাম, ঘৰত কৰা কাম, প্ৰকল্প আদিৰ নিৰ্ণয় কৰিলে কাৰ্য অনুসৰি অভ্যাসৰ প্ৰয়োজনীয় সময় চিনাক্ত কৰিব।

শিকনৰ ফলাফল মাক দেউতাকৰ লগত আলোচনা কৰি ঘৰৰ পৰিৱেশত কৰিব পৰা কাৰ্য, অভ্যাস, ক্ৰিয়া-কলাপ, প্ৰজেক্ট বা প্ৰকল্পবোৰৰ দায়িত্ব দি তথ্যপাতি সংগ্ৰহ কৰি প্ৰস্তুত কৰিব।

ব্যাখ্যামূলক আলোচনা, ব্যাখ্যামূলক চিত্ৰাংকন, সাদৃশ্য বৈসাদৃশ্যৰ বিচাৰ কৰা, সূচক প্ৰত্ৰৰ জৰিয়তে চিনাক্ত কৰা উদাহৰণ এই সকলোবোৰ শিক্ষকৰ পৰিকল্পনাত্মক পৰ্যায়ত অন্তৰ্ভুক্ত কৰি লোৱা হয়।

এজনে শিক্ষক বা শিক্ষয়িত্ৰীয়ে ৫০-৬০ জন ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক বিকাশ বা ব্যক্তিগত শিকন পৰ্যালোচনা কৰিব পাৰে কিন্তু প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকে বিদ্যালয় বাহিৰৰ সময়খিনিত ব্যক্তিগত তত্ত্বাৱধান গ্ৰহণ কৰিলে ব্যৱহাৰ, চৰিত্ৰ, সাংস্কৃতিক পৰম্পৰা আদি দিশবোৰ প্ৰকাশ হোৱা সহায়ক হয়।
**ব্যাখ্যামূলক আলোচনা ১-** দৃশ্যশ্ৰাব্য সামগ্ৰিবোৰ আগেয়ে শিকি অহা আয়ত্ত কৰি অহা পাঠটিৰ চমু সাৰাংশ আৰু সামগ্ৰিক পুনৰালোচনা কৰাত সহায় কৰে। মনত পুনৰুদ্ধাৰ হোৱা অৰ্হতা বা উপঅৰ্হতাবোৰ যেতিয় শিক্ষকে পুনৰালোচনা কৰে তেতিয়া শিকিবলগা অৰ্হতাবোৰৰ লগত আকৌ এবাৰ পৰিচয় ঘটে। মেধাবী বা চোকা ছাত্ৰ-ছাত্ৰীবোৰে শিকনৰ মাত্ৰা দৃঢ় কৰি লয়, সন্দেহ দুৰ কৰে, প্ৰয়োজনমতে শিক্ষকক প্ৰশ্ন কৰি নিজে শিকন আয়ত্ত কৰে। শিক্ষকেও ব্যক্তিগতভাৱে প্ৰশ্ন অৱতাৰণা কৰি বা লিখিতৰূপত দাঙিধৰি সাৰাংশখিনি উপস্থাপন কৰিলে শিকাৰুৰ সুবিধা হয়।

**ব্যাখ্যামূলক আলোচনা ২-** শ্ৰেণীকক্ষৰ আলোচনা, প্ৰশ্নোত্তৰ শিতান, শ্ৰেণীৰ বিভিন্নধৰণ কৰণীয় কাৰ্য, উদাহৰণ, সাদৃশ্য দেখুওৱা, উপমা, অনুৰূপ আদিৰ পৰা শিকাৰুৰ নতুন ধাৰণা স্পষ্ট হৈ পৰে। দেখা যায় ব্যাখ্যামূলক আলোচনাৰ কালত শিকনৰ অগ্ৰগতি আৰু ছাত্ৰ-ছাত্ৰীৰ স্পষ্টীকৰণ মূলত চাৰি প্ৰকাৰে আগবাঢ়ে-

১) উদাহৰণৰ জৰিয়তে (Examples)- নতুন ধাৰণ এটা শিকিবলৈ যাওঁতে শিক্ষকে সাৱধানে আগবাঢ়িব আৰু লক্ষ্য কৰিব শিকাৰুবোৰে যাতে আয়ত্ত কৰিব পাৰে। বাক্যত ব্যৱহৃত শব্দ বাক্যাংশ যিবোৰে কোনো ধৰণৰ আক্ষৰিক অৰ্থ প্ৰকাশ নকৰে, আন অৰ্থ প্ৰকাশ কৰে, বুজায় তেতিয়া আপুনি লিখিত ৰূপত নিজৰ ভাব প্ৰকাশ কৰক। শিক্ষকৰ লিখিতৰূপে কেবল ছাত্ৰ-ছাত্ৰীৰ শিকনৰ প্ৰতিবিম্বক

প্ৰকাশ নকৰে লগতে ই শিকাৰুৰ চিন্তাশক্তি বৃদ্ধিত সাৰ প্ৰয়োগ কৰে। বুজিব পৰা ক্ষমতা বা দক্ষতা দুয়ো পক্ষৰে সমানে আগবাঢ়ে।

২) ব্যাখ্যামূলক চিত্ৰাঙ্কন (Illustration) বা নক্সাঅংকনৰ ফলত ছাত্ৰ-ছাত্ৰীৰ শিকন গাঢ়তা ক্ৰমান্বয়ে আগবাঢ়ে অৰ্থাৎ অংকন প্ৰক্ৰিয়াৰ প্ৰতিটো খোজ বা দফা ক্ৰমাগত ৰূপত আগবাঢ়ে, ছাত্ৰছাত্ৰীয়েই ক্ৰমান্বয়ে অংকন কৰি লব পাৰে। উদাহৰণৰূপে এটা ভেকুলীৰ ছেদাংশত বা অন্তভাগত পাকস্থলীৰ পৰা অংকন কৰিলেহে বাহিৰা অংশৰ দৃশ্য প্ৰকৃত আকাৰত প্ৰকাশ পায়। এনেধৰণৰ চিত্ৰাংকন ব্যৱহাৰ কৰাৰ কাৰণে কেবল চিত্ৰ প্ৰতিবিম্ব প্ৰকাশ নকৰে ই শিকনৰ ভিতৰভাগ প্ৰকাশ অৱকাশ দিয়ে ফলত গঠন প্ৰণালী বা ব্যৱস্থাপনা প্ৰক্ৰিয়া প্ৰকাশ পায়। ছবি অংকন কৰা বা ফটগ্ৰাফীকৰণত শিক্ষকজনে সদায় ব্যাখ্যামূলক বিবৰণ বা উদাহৰণ বা অংশবোৰ চিনাক্তকৰে, ছাত্ৰ-ছাত্ৰীসকলে এনে কৰাৰ ফল দেখি নিজে অংকন কৰি লয়।

৩) সাদৃশ্যৰূপ বিচাৰ কৰা বা উলিওৱা, সাদৃশ্যমূলক ঘটনা প্ৰবাহে শিকাৰুৰ শিকনীয় দিশ স্পষ্ট কৰে। উদাহৰণস্বৰূপে শিক্ষকে যেতিয়া সৌৰজগতৰ নক্ষত্ৰবোৰৰ দূৰত্ব আৰু স্থিতি বা অৱস্থান দেখুৱাবলৈ নটা বল বা বলয়ৰ কক্ষ পথৰ জৰিয়তে দুৰত্বৰ ব্যৱধান ৰাখি নক্সা প্ৰস্তুত কৰি নক্ষত্ৰ, গ্ৰহ বা উপগ্ৰহৰ স্থিতি আৰু দুৰত্ব শ্ৰেণীকক্ষৰ ভিতৰত বুজাব পাৰে। অন্যহাতেদি লৰা-ছোৱালীক শ্ৰেণীকোঠাৰ বাহিৰলৈ আনি নজনক নটা গ্ৰহৰ নামেৰে নামকৰণ কৰি দুৰত্ব অনুসৰি থিয় কৰাই প্ৰতিজনকে গ্ৰহৰ নামেৰে মাতি নিজ কাৰ্যৰ বৰ্ণনা দিবলৈ ক'ব পাৰে আৰু ঘুৰি ঘুৰি সূৰ্যক প্ৰদক্ষীণ কৰিবলৈ ক'ব পাৰে। ছাত্ৰছাত্ৰীৰ এনেদৰে অংশ গ্ৰহণ কৰি শিকা প্ৰক্ৰিয়াটোকে সাদৃশ্যমূলক (Analogies) বোলে। গ্ৰাফিক উপস্থাপনৰে আপুনি এটা হাতুৰী আৰু গজালৰ সম্পৰ্ক কৰিও শক্তিশালীৰূপত দেখাকৈ মডেল, নমুনা ব্যৱহাৰত হোৱা ঘটনাৰো সাদৃশ্যমূলক কামৰ বৰ্ণনা দিব পাৰে।

৪) সূচকপত্ৰ (Label) কোনোচবি বা দৃশ্যাংশৰ অংশ সজ্জা বা নাম লিখি, কাগজতে এঠা লগাই চিনাক্ত কৰা, চমু পৰিচয় দিয়া, বস্তুৰ মূল্য নিৰ্দ্ধাৰণ কৰা ইত্যাদি কাৰ্যক সূচক পত্ৰৰে প্ৰকাশ কৰে। সৌৰজগতৰ গ্ৰহবোৰৰ নামকৰণত ছাত্ৰছাত্ৰীৰ ভূমিকা, পৰিচয় কাৰ্য, শৰীৰৰ হৃদযন্ত্ৰৰ বৰ্ণনামূলক ব্যাখ্যাত অংকিত নক্সাখন বা শিৰা-উপশিৰাসহ কলিজাৰ সম্পৰ্ক বা কামৰ বৰ্ণনা কৰিবলৈ সূচক প্ৰত্ৰৰ ব্যৱহাৰ কৰা হয় বা প্ৰকাশ কৰিব পাৰি।

ব্যাখ্যামূলক আলোচনাত শিক্ষকে আশাকৰা মতেই নিজৰ পৰিকল্পনা মতে বা উপস্থাপন শৈলীৰ প্ৰক্ৰিয়াৰে শিকনৰ ফলাফল প্ৰতিৰূপ বা অনুৰূপত শ্ৰেণীত প্ৰকাশ কৰিব পাৰে। আপুনি সংগ্ৰহ কৰা তথ্যপাতিবোৰ (Data

information) সজাই লৈ শ্ৰেণীত ব্যৱহাৰ কৰোঁতে শিকনৰ অগ্ৰগতিৰ লগতে খাপখুৱাই ব্যৱহাৰ কৰা দেখা যায়। কেতিয়াবা চিত্ৰৰ সহায়ত বা গ্ৰাফেৰে নিলিখাকে প্ৰকাশ কৰা হয়। শিকনৰ ফলাফলৰ লক্ষ্যত উপনীত হ’বলৈ, সহজ বৰ্ণনাৰে ব্যাখ্যা কৰিবলৈ পাঠৰ একাংশ আগবঢ়াই লৈ আগুৱাই যাবলৈ সুবিধা হয়। নিম্নলিখিত ব্যাখ্যা চাৰিটা লৈ চকু দিয়ক-


1. প্ৰকৃততে শিক্ষকজনে কি কাৰ্য সম্পূৰ্ণ কৰিলে ছাত্ৰ-ছাত্ৰীয়ে কি শিকিব?
2. জটিল অংশৰ ব্যাখ্যা কেনেধৰণে উপস্থাপন কৰি উদাহৰণসহ আলোচনা বা প্ৰকাশ কৰিব?
3. পাঠাংশৰ পৰা শিকাৰুৰ শিকন কাৰ্য নিশ্চিত কৰিবলৈ জনা অংশৰ জ্ঞান ব্যৱহাৰ কৰিবলৈ আপুনি স্পষ্ট কৰক-
4. উপযুক্ত উদাহৰণসহ নক্সা বা মডেল ব্যৱহাৰ কৰি কাৰ্যভিত্তিক তথ্যপাতিৰে বা অনুশীলনত ব্যস্ত ৰাখি আপোনাৰ প্ৰকাশভঙ্গী বাস্তৱৰূপত দেখুৱালে ছাত্ৰ-ছাত্ৰীৰ মনত গভীৰভাৱে শিকনৰ প্ৰভাৱ পৰে।

ওপৰৰ চাৰিটা ব্যাখ্যা তলৰ উদাহৰণেৰে জানিবলৈ চেষ্টা কৰক

**উদাহৰণ ১-** শিক্ষক হিচাপে আপুনি জানিব লাগিব পাঠদান হোৱা পাছত ফলাফল কি হৈছে? বুজিব পাৰিছেনে, আয়ত্তৰ ভিতৰত নে বাহিৰত, আপোনাৰ পৰা প্ৰবাহিত বাক্য বা বাক্যাংশ শুনি বুজি আয়ত্তাধীন কৰিলেনে? পাঠদান কাৰ্যত আপুনি উদ্দেশ্য বা লক্ষ্যবোৰ আগত ৰাখি  সমাধান কৰিলে। ছাত্ৰ-ছাত্ৰীৰ ইন্দ্ৰিয়ই গ্ৰাহ্য কৰিলেনে? ইন্দ্ৰিয়বোৰৰ অনুভূতিত দুটা ভাগত ৰেখাপাত কৰে (ক) তুলনামূলক (খ) বৈসাদৃশ্যমূলক। প্ৰভেদ বা পাৰ্থক্যবোৰ জানি বুজি শিকি লয় ছাত্ৰ-ছাত্ৰীয়ে, কেতিয়া আপুনি নিশ্চয় জানে ব্যাখ্যামূলক চিত্ৰাঙ্কন বা নক্সাৰ দ্বাৰা বুজিবলৈ দুটা উপায় হৈছে-

- পঢ়ি থকা দৃশ্যাংশ অংকন কৰা আৰু
- ভেনদ্ৰায়েগ্ৰাম (Venn Diagram) অংকন কৰা তুলনামূলকভাৱে চোৱা,বুজিবলৈ চেষ্টা কৰা

অধ্যয়ন কৰা, মনত ৰখা আৰু নিজে আয়ত্ত কৰিবলৈ যত্ন কৰা। ভেনডায়েগ্ৰাম বুজিবলৈ আপুনি তলত দেখুওৱা ধৰণে সমানকৈ তিনিপাত খাৰু সদৃশ গোলাকাৰ ৰূপত অংকিত কৰক। ধৰক তিনিপাত খাৰু ওপৰাওপৰিকৈ ধৰোঁতে তিনিপাতৰে অংশবোৰ তলত দেখুৱা ধৰণে প্ৰতিফলিতৰূপে বা আকাৰ দেখা যাব-




Ven Diagram is a picture over tapping each other showing sets = group of things that have shown/shared quality as circles that cross over each other, to show which qualities the different sets have in common area.

তুলনামূলক আৰু বৈসাদৃশ্যমূলক দুয়োটা নক্সাৰ পৰা দুটা ভিন্ন ধৰণৰ বৈশিষ্ট্য প্ৰকাশ পাইছে। শিক্ষকে ভবাৰ দৰেই চিন্তাশক্তিবোৰৰ বাহ্যিক প্ৰকাশ ঘটিছে। ভিন্ন ভিন্ন প্ৰকাৰে শিক্ষকজনে ব্যাখ্যা কৰিছে যাতে শিকাৰুৰ গ্ৰহণ ক্ষমতা সক্ষম হৈ স্পষ্টৰূপে আয়ত্ত  কৰিব পাৰে। বহিপ্ৰকাশিত ধাৰণা বা প্ৰকল্প প্ৰস্তুত কৰি সম্পন্ন কৰোঁতে উদ্দেশ্য বা লক্ষ্যবোৰত ছাত্ৰ-ছাত্ৰীসকল উত্তীৰ্ণ হ'ল নে নাই বা কৃতকাৰ্যতাত সফল ৰূপ পালেনে শিক্ষকজনে জানিব লাগিব। সাদৃশ্য বা বৈসাদৃশ্যবোৰ জানিবলৈকে শিক্ষকে ব্যাখ্যামূলক চিত্ৰাঙ্কন কৰাব লাগে। এনে কাৰ্য  সম্পন্ন কৰিলে শিকাৰ গভীৰতা বা বোধগম্যতা বাঢ়িব, শিকনৰ ফলাফল আগবাঢ়িব আৰু পাঠ্যাংশৰ মূল্যাংকনৰ লগতে মিল বা অমিল, সাদৃশ্য বা বৈসাদৃশ্যবোৰৰ পাৰ্থক্য আয়ত্ত  কৰিব পাৰিব।

শিক্ষকে পাঠদানৰ পৰা আশাকৰামতে ফলাফল পাবলৈ পাঠৰ জটিল অংশ বা দিশ চিনাক্ত কৰিব লাগিব।

**(৩)পৰিৱেশজনিত পৰ্যায়ঃ**(Environmental/Situational stage)

শ্ৰেণীৰ পৰিৱেশ, বিদ্যালয়ৰ পৰিৱেশ, শিক্ষণ-শিকন পদ্ধতিৰ পৰিৱেশ ,সহযোগিতা পৰিৱেশ, শ্ৰেণীকোঠাটোৰ পৰিৱেশ, লিখাপঢ়াৰ বাবে উপযুক্ত

পৰিৱেশ, শ্ৰেণীকোঠা সজাই পৰাই ল'ব পৰা পৰিৱেশ, প্ৰদৰ্শনমূলক/সৃষ্টিমূলক কাৰ্য  দেখুৱাব পৰা পৰিৱেশ, সামগ্ৰীবোৰ, যন্ত্ৰপাতিবোৰ, সমলবোৰ সহজে পোৱা আৰু ব্যৱহাৰৰ উপযুক্ত পৰিৱেশ, আদি পৰিৱেশজনিত পৰ্যায়ত থাকিব লাগে।

পৰিৱেশজনিত শ্ৰেণীকোঠা বুলিলে চাৰিধৰণৰ সংকেত দেখা যায়- (১) আশা আকাঙ্খা (২) ছাত্ৰ-ছাত্ৰীৰ ব্যৱহাৰ (৩)পৰিৱেশ (৪) মৰ্য্যদামূলক সংস্কৃতি

প্ৰতিজনেই নিজৰ শিকনৰ মান উচ্চ পৰ্য্যায়লৈ নিয়ক, শিক্ষকৰ আশা । শিক্ষকে শিকন কাৰ্য্যৰ সুবিধাবোৰ সৃষ্টি কৰক, সকলোবোৰে শিকনৰ সুবিধা গ্ৰহণ কৰি শিকক । ছাত্ৰ-ছাত্ৰীসকলে নিজৰ কাম নিজে কৰি শিকন সম্পূৰ্ণ কৰক । নিৰ্দেশনাত্মকভাৱে সম্পূৰ্ণ আয়ত্বীকৰণ, শিকনৰ অধিকাৰ সাব্যস্ত কৰি প্ৰকাশৰ সুবিধা দিয়া । শিক্ষণ শিকন সামগ্ৰীৰ ব্যৱহাৰ, ছাত্ৰ-ছাত্ৰীৰ শিকনৰ অভিৰোচন, উৎসাহিকৰণ, সুবিধা প্ৰদান, শিকন সকলোৰে অধিকাৰ । শিক্ষণ-শিকনৰ পৰিৱেশ শিক্ষকে দিব ।

**প্ৰতিফলিত প্ৰশ্ন**(Reflective Questions)

১) শ্ৰেণীকোঠাটো কেনে? পঢ়াৰ পৰিৱেশ বিৰাজমানে ? কি সূচায়?

২) পেপাৰ, পেনচিল, বহী লৈ লিখাপঢ়াৰ বাবে উপযুক্ত নে?

৩) ছাত্ৰ-ছাত্ৰীৰ প্ৰদৰ্শনমূলক কাৰ্যবোৰ শ্ৰেণীত প্ৰদৰ্শন কৰাৰ সুবিধা আছে নে?

৪) ব্যক্তিগত বা দলগত কামৰ কাৰনে কোঠাটো কেনেদৰে ব্যৱহাৰ হ'ব ?

৫) ছাত্ৰ-ছাত্ৰীক আগতীয়াকৈ কি শিকিব, পঢ়িব, লিখিব জনোৱাৰ ব্যৱস্থা কি?

৬) আপোনাৰ মতে শ্ৰেণীকোঠা সজাই পৰাই ল'ব পাৰেনে? কেনেধৰণৰ সমস্যাই আপোনাৰ  শ্ৰেণীত বিৰাজমান কৰে ?

৭)  শ্ৰেণীৰ পৰিৱেশৰ সম্ভাব্য উত্তৰ কি কি হব পাৰে?

৮) কেনে পৰিকল্পনা কৰিব যত আপোনাৰ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰদৰ্শনমূলক/সৃষ্টিমূলক কাৰ্য  দেখুৱাব পাৰিব?

পৰিৱেশজনিত শ্ৰেণীকোঠা বুলিলে চাৰিধৰণৰ সংকেত দেখা যায়- (১) আশা আকাংক্ষা (২) ছাত্ৰ-ছাত্ৰীৰ ব্যৱহাৰ (৩)পৰিৱেশ (৪) মৰ্যাদামূলক সংস্কৃতি

শ্ৰেণীকক্ষত শিকনকাৰ্য কৰি থকা সময়ত মানিব লগা নীতি-নিয়মবোৰ সকলোৱে মানিব। ছাত্ৰ-ছাত্ৰীৰ আচৰণ, আচাৰ ব্যৱহাৰ, মাত কথাবোৰ নমনীয়

বা স্বভাৱসুলভ হব লাগে। সামগ্ৰীবোৰ, যন্ত্ৰপাতিবোৰ, সমলবোৰ সহজে পোৱা আৰু ব্যৱহাৰৰ উপযুক্ত পৰিৱেশ থাকিব লাগে। সঘনাই শিকাৰুৰ পৰা লোৱা কাৰ্যাৱলী বা কৰ্মবোৰ সলাই থকা, মনত ৰাখিব প্ৰদৰ্শিত সমলবোৰে ব্যক্তিগত বা দলগত শিকনত সহায় কৰে।

শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ সম্পৰ্কবোৰ সদায় সন্মানীয়, তত্ত্বাৱধান লোৱা বা প্ৰতিদানমূলক হ'ব লাগে। প্ৰতিজনে প্ৰতিজনকে সন্মানসূচক ব্যৱহাৰ, মতামত, ভদ্ৰ আচৰণ আৰু শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ সম্পৰ্কৰ পৰা বিচলিত হ'ব নালাগে।সন্মানীয় মান্যবৰ হ'বলৈ আপুনি কি কৰা উচিত ? আপোনাৰ পৰিচয় তলৰ কথাত প্ৰকাশ কৰক-

- ছাত্ৰ-ছাত্ৰীবোৰে নিজে সিদ্ধান্ত লব পৰাকৈ যোগ্যতা প্ৰদান কৰিলে নে?
- শিকন কাৰ্যত নিৰ্ভৰশীলতা প্ৰদান কৰিব পাৰিলে নে নাই?
- সহযোগিতামূলক শিকনৰ সুবিধা দিলেনে, প্ৰকল্প আদি জমা দিলে নে?
- ছাত্ৰ-ছাত্ৰীয়ে প্ৰত্যেকেই প্ৰতিজনৰ কথাবতৰা শ্ৰদ্ধাৰে গ্ৰহণ কৰে নে?
- বিতৰণ ব্যৱস্থাত শৃংখলাবদ্ধতা, নিয়মানুৱৰ্তীতা বা ক্ৰম অনুসৰি চলাব পাৰে নে?

**(৪) পেছাগত বা বৃত্তিগত দক্ষতা**(Professional Performance stage)-

শিক্ষকে নিজে ভবাৰ দৰেই সদায় পাঠ পৰিকল্পনা প্ৰস্তুত কৰে আৰু পাঠ্যক্ৰম আগবঢ়াই নিয়ে। ক্ৰমাগত ৰূপত উদাহৰণসহ কৰা পাঠদান কাৰ্য শিকনৰ মৌলিক উপাদানবোৰৰ ব্যাখ্যা আৰু ছাত্ৰ-ছাত্ৰীৰ শ্ৰেণী বা গৃহকাৰ্যৰ ভিত্তিতেই শিকনৰ ফলাফল নিৰ্ভৰ কৰে। ছাত্ৰ-ছাত্ৰীৰ মনোযোগ বঢ়াবলৈ বা আকৰ্ষনীয় পাঠদান কৰিবলৈ শিক্ষকে নিয়মিতভাৱে নিজ কাৰ্য সম্পাদন কৰিব লাগিব, ব্যাখ্যামূলক চিন্তাচৰ্চা, বিশ্লেষনাত্মক দৃষ্টিভংগী, ব্যাখ্যামূলক চিত্ৰাংকন আৰু ভেনডায়েগ্ৰাম আঁকি বুজালে পাঠদান কাৰ্যসূচী আকৰ্ষনীয় হ'ব। ছাত্ৰ-ছাত্ৰীৰ শিকন স্পষ্টকৈ প্ৰতিফলিত হ'বলৈ যেনে ব্যৱস্থা গ্ৰহণ কৰিব লাগে বা উপযুক্ত শিক্ষণ-শিকন শৈলীৰ সহায়ত শিকনৰ উপাদানবিলাকৰ মূল্যাংকন নিয়মীয়া ৰূপত তথ্যপাতিৰে সমৃদ্ধিশালী হ'ব লাগে।

**উদাহৰণ ১** আশাকৰা লক্ষ্যত উপনীত হ'বলৈ বা শিকাবলৈ আপুনিও শিক্ষকৰূপে শিকনৰ দিশ সৃষ্টি কৰিব লাগিব। ব্যাখ্যামূলক চিত্ৰাংকন আৰু ভেনডায়েগ্ৰামৰ সহায়ত কৰা শ্ৰেণীকাৰ্যই শিকনৰ ফলাফল বাস্তৱত পৰিণত কৰে। আপুনি দুটা চৰিত্ৰ নিৰ্বাচন কৰক, চৰিত্ৰ দুয়োটা বেলেগ বেলেগ ধৰণৰ বৈশিষ্ট্য থকা। ছাত্ৰ-ছাত্ৰীয়ে মডেলৰ বৈশিষ্ট্যবোৰ চিনাক্ত কৰক আৰু নিজাকৈ

ব্যাখ্যা কৰক। প্ৰতিজনৰ ব্যাখ্যা আৰু বিশ্লেষণ বেলেগ বেলেগ। প্ৰতিটো পদক্ষেপতেই নিজাকৈ আয়ত্তাধীন ব্যাখ্যা আগবঢ়াওক। দৃশ্যমূলক শিক্ষণ-শিকন সামগ্ৰী প্ৰদৰ্শন কৰোঁতে শিক্ষকজনে নিৰ্দিষ্ট দিশটো শিকনৰ কাৰনেহে ব্যৱহাৰ কৰিব বাকী থকা সময়ত দেখুৱালে ন'হব। শিকনীয় লক্ষ্য বা দিশবোৰ শিক্ষকে প্ৰতিটো পদক্ষেপতে লিখিতৰূপত ৰাখিব আৰু নিৰ্দিষ্ট সময়ত ব্যাখ্যা আগবঢ়াব। শিকাৰুৰ অগ্ৰগতি বা আয়ত্তাধীন হলেহে দ্বিতীয়টো শিকনৰ বা লক্ষ্যৰ দিশে আগবাঢ়িব। পৰাপক্ষত শিক্ষকজনে নিজৰ স্থিতি বা উপস্থিতি সদায় শিশুসুলভ কৰি, সমনীয়াৰূপে সকলোবোৰ ছাত্ৰ-ছাত্ৰীকে জনাৰ/শিকাৰ/ব্যৱহাৰ কৰিব পৰা সুবিধা প্ৰদান কৰিলে প্ৰতিজনৰে শিকন নিশ্চিত ৰূপত প্ৰকাশ পায়।

**বৰ্ণনামূলক ব্যাখ্যাঃ** সংক্ষিপ্তকৰণ, চমুভাব প্ৰকাশ, যুক্তিসংগত কাৰ্য আৰু বিশ্লেষণেৰে পাঠ বিভাজন কৰি লাগতীয়াল তথ্যপাতি সংগ্ৰহ কৰা, ব্যৱহাৰ কৰা, অপ্ৰয়োজনীয়, অলাগতীয়াল বা সন্দেহমূলক বাক্য ব্যৱহাৰ কৰাৰ পৰা সদায় বিৰত থাকিব।

ওপৰৰ কথাবোৰৰ পৰা দেখা যায় শিক্ষকজন জ্ঞানৰ ভাণ্ডাৰ আৰু শিক্ষকৰ কথাবতৰা, ছাল-চলন, আচাৰ ব্যৱহাৰ আদিত সদায় ছাত্ৰ-ছাত্ৰীৰ চকু থাকে কাৰণে শিক্ষক হিচাপে আপুনিও মান্যবৰ হোৱা উচিত। শিকিবলগা উদ্দেশ্যবোৰ, লক্ষ্যবোৰ সদায় পাঠৰ আলমত আলোচনা কৰি শিক্ষা প্ৰদান কৰা হয়। ছাত্ৰ-ছাত্ৰীয়ে নিজৰ শিকন নিশ্চিত ৰূপত আয়ত্ত কৰিলেনে নাই, প্ৰত্যেকেই বুজিবলৈ সমৰ্থ হলনে নাই, শিক্ষণীয় ব্যৱস্থাৰ আলমত শিকন কাৰ্য সকলোজনৰ বোধগম্যতা আহিলনে নাই তাক নিশ্চিত কৰা দায়িত্ব কেৱল শিক্ষাগুৰু বা শিক্ষকজনৰ। ছাত্ৰ-ছাত্ৰীৰ মতামত আৰু ভাব বিনিময় জৰিয়তে আয়ত্তকৰণ, বুজিব পাৰিলেনে নাই আৰু শিকাব লাগিবনে ইত্যাদি কথাবোৰ নিহিত থাকে। অৰ্হতা, উপঅৰ্হতা, শিকনীয় অন্য দিশবোৰ শিকন ক্ষমতাৰ আধাৰত নিৰ্ভৰ কৰে। শ্ৰেণী অনুসৰি, বিষয় ভেদে পাঠ্যক্ৰমৰ ওপৰত নিৰ্ভৰ কৰিহে পাঠদান আগবাঢ়ে। পাঠদান কাৰ্য আৰু পাঠ গ্ৰহণ কাৰ্য দুয়োটাই বেলেগ ধৰণৰ। এজন কাৰ্যকৰি পেছাগতশিক্ষকে পাঠৰ আৰম্ভনিত ছাত্ৰ-ছাত্ৰীৰ মনোযোগ আকৰ্ষণ কৰি গল্প বা কাহিনীৰ আধাৰত উপস্থাপন কৰে। পুনৰাবৃত্তিৰ লগত নতুন পাঠৰ সংলগ্ন অৱস্থাৰ সৃষ্টি কৰে। শিকনৰ উদ্দেশ্য বা লক্ষ্যবোৰ নিৰ্দ্দেশনা ৰূপত প্ৰকাশ কৰে। শিকনীয় উপাদান, উদাহৰণ আৰু শিকাৰুৰ দক্ষতা বৃদ্ধিৰ কাৰণে ব্যাখ্যা কৰে। এনেধৰণৰ কথা বতৰাবোৰ শিক্ষকৰ উপস্থাপনশৈলীৰ ওপৰত নিৰ্ভৰ কৰে, উদাহৰণ ৰূপত, প্ৰকাশভংগীত,

অনুশীলনত, ব্যৱহাৰত প্ৰতিফলিত হয়। চমুকৈ কবলৈ গলে বা বৰ্ণনামূলকভাৱে প্ৰকাশ কৰিলে এনেধৰণৰ হ'ব- "শিক্ষকজনে প্ৰকৃততে বিষয়বস্তুখিনি ভালদৰে উপস্থাপন কৰিছে, বুজাই দিব পাৰিছে, ছাত্ৰ-ছাত্ৰীবোৰে ঠিকমতে শিকিছে, স্পষ্টভাৱে জ্ঞান আহৰণ কৰিছে কিয়নো শিক্ষাগুৰুৰ জ্ঞান অতি গভীৰ বা বৰ্ণনামূলক ভাৱ-ভংগীৰে, পাঠাংশ সৰলীকৃত ৰূপত শিকাৰ সুবিধা দিছে। কৃতকাৰ্যতাৰ হাৰ বৃদ্ধি হৈছে, সাফল্য বাঢ়িছে, পাঠ্যক্ৰম সম্পন্ন কৰিছে, শিক্ষক হিচাপে নিজৰ দক্ষতাৰ পৰিচয় দিব পাৰিছে।"

এতিয়া শিকন দিশৰ পুনৰুদ্ধাৰৰ বাবে আপুনি শিক্ষক হিচাপে কেনেধৰণৰ শিকিবলগীয়া দিশৰ ভিত্তিত প্ৰশ্ন কৰিব, মন কৰকঃ (Reflective Questions/Coaching Questions)

- আপুনি কেনেকৈ সিদ্ধান্ত ললে কেবল এই কেইটা দৃশ্য-শ্ৰাব্য সঁজুলি ব্যৱহাৰ কৰিলেই পাঠদান কাৰ্য ফলপ্ৰসূ হ'ব?
- শিক্ষকৰ পাঠদান কাৰ্যৰ কাৰণে মডেল বা ব্যাখ্যামূলক নক্সাৰ কিয় প্ৰয়োজন? এই প্ৰয়োজনীয় মডেলে বা নক্সাই ছাত্ৰ-ছাত্ৰীৰ শ্ৰেণীকোঠাত শিকনৰ মাত্ৰা বৃদ্ধি কৰিব পাৰে নে?
- আপুনি কেনেকৈ পাঠ পৰিকল্পনা কৰিলে? কোনে দিহা-পৰামৰ্শ আগবঢ়ালে? পৰিকল্পনা শ্ৰেণীত প্ৰয়োগ কৰাত অসুবিধা পালেনে?
- শিকনৰ দিশ বা বিষয়বস্তু ছাত্ৰ-ছাত্ৰীয়ে স্পষ্টৰূপত আয়ত্ত কৰিব পাৰিলেনে? বুজি পালেনে? বুজি নোপোৱা ছাত্ৰ-ছাত্ৰীক কি কৰিলে? ছাত্ৰ-ছাত্ৰীবোৰে কিমান বা কি শিকিলে তাৰ তথ্যপাতি, ৰেকৰ্ড আদি যোগাৰ কৰিলেনে?
- পাঠ পৰিকল্পনা কৰি লওঁতে আপুনি কেনেকৈ জানিলে ক্ৰম অনুসৰি অৰ্হতা বা উপঅৰ্হতাবোৰৰ জৰিয়তে পাঠ আগবাঢ়িছে?
- শিকনীয় দিশবোৰ আৰু পাঠ পৰিকল্পনাৰ মাজত কি সম্পৰ্ক আছে? শিকনীয় উপাদানবোৰ কেনেকৈ বিতৰণ কৰিলে?
- পাঠটো শ্ৰেণীত কেনেকৈ উপস্থাপন কৰিলে? পাঠটিৰ উদ্দেশ্যবোৰ আৰু অৰ্হতাবিলাক শিকনত প্ৰতিফলিত হলনে?
- ছাত্ৰ-ছাত্ৰীসকলে শিকি অহা পাঠৰ পুনৰুদ্ধাৰ এই পাঠটিৰ জৰিয়তে কেনেকৈ কৰিলে? নতুনকৈ শিকিব লগা শিকনীয় দিশ কেনেকৈ দিলে?
- আপুনি কেনেধৰণৰ শিক্ষণ শিকন পদ্ধতি গ্ৰহণ কৰিলে আৰু ভাবিলে এই পদ্ধতিটো শিকনৰ একমাত্ৰ উপযুক্ত ব্যৱস্থা?
- পাই, বাৰ বা দণ্ডচিত্ৰ আৰু গ্ৰাফ কি কি ক্ষেত্ৰত ব্যৱহাৰ কৰিলে?

- শিকনৰ অগ্ৰগতি নিৰূপন কৰিবলৈ শতকৰা হিচাপত, কেনেধৰণে শ্ৰেণীত ব্যৱস্থা ললে? মাক-দেউতাকলৈ অগ্ৰগতিৰ খবৰ দিলেনে?
- আপুনি কৰা পাঠদান কাৰ্যসূচী অন্য পাঠ বা বিষয়ৰ লগত সম্পৰ্ক আছেনে? সংহত ৰূপত পাঠদান কৰিলেনে বাৰু?
- পাঠটি লগত থকা শিকনীয় দিশবোৰৰ লক্ষ্যত উপনীত হ'বলৈ সহজ আছিল নেকি? কেনেকৈ আগবাঢ়িলে?
- অৰ্হতা বুজাবলৈ আপুনি নিজাকৈ উপঅৰ্হতা প্ৰস্তুত কৰি সহজ সৰল গতিৰে আগবাঢ়িলে নে?
- আপুনি কেনেকৈ সিদ্ধান্ত গ্ৰহণ কৰিলে, এইটো পদ্ধতিটোৰেই আদান-প্ৰদানৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ বাবে উপযুক্ত ব্যৱস্থা হ'ব?
- দৃশ্য-শ্ৰাব্যসামগ্ৰীবোৰ কেতিয়া আৰু কোন কোন শিকনৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিলে? লাভালাভ কিবা হ'লনে?
- আপোনাৰ পাঠদানৰ আশাবোৰ বাস্তৱ ৰূপায়নৰ বাবে আপুনি কেনে মাধ্যম ললে, ছাত্ৰী-ছাত্ৰীৰ শিকন মূল্যায়ন হলনে?
- আপুনি এজন পেছাধাৰী শিক্ষক হিচাপে ছাত্ৰ-ছাত্ৰীৰ পৰা কি কি আশা কৰিব পাৰে? এই উটিণ বা কৃতকাযতা লাভিলেনে ?
- আপুনি কেনেকৈ নিশ্চিত কৰিলে অধিকাংশ ছাত্ৰ-ছাত্ৰীয়েই শতকৰা ৮০% শিকিলে? (obtained mastery level of learning as per objectives of teaching)
- সোধক-বৰ্ণনাকৰক-সোধক এই প্ৰক্ৰিয়াৰে মূল্যাংকন কৰিছিল নে?
- ছাত্ৰ-ছাত্ৰীৰ শিকনৰ ক্ষেত্ৰত কেনেকৈ পুনৰদৃঢ়িকৰণ আৰু পুৰস্কাৰ প্ৰদান কৰিলে?
- ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীত কিয় প্ৰশ্ন কৰিব লাগে? প্ৰশ্ন কৰাৰ বাবে শিক্ষকে কিয় সুবিধা আৰু আলোচনা কৰিব লাগে?
- ছাত্ৰ-ছাত্ৰীৰ পৰা উত্তৰ বিচাৰি কিমান সময় অতিবাহিত কৰিলে?
- ছাত্ৰ-ছাত্ৰীৰ অভিৰোচনে শিকন কাৰ্যত কিমান প্ৰভাৱ বিস্তাৰ কৰিলে?
- আপুনি কেনেকৈ সিদ্ধান্ত ললেযে এই অংশটো জটিল বা টান? নিজে সৰলীকৃত আকাৰত একাংশ সংযোগ কৰি পাঠদানত সংযোজিত কৰিলেনে?
- আপুনি ছাত্ৰ-ছাত্ৰীবোৰক পৰিকল্পনাৰ কোনবোৰ ক্ষেত্ৰত ঘনিষ্ঠ কৰিবলৈ চেষ্টা কৰিলে?
- কমকৈ শিকা বা জনা ছাত্ৰ-ছাত্ৰীক কিদৰে পাঠদান কৰি অন্য ছাত্ৰ-ছাত্ৰীৰ লগত সমানে আগবাঢ়িবলৈ ব্যৱস্থা গ্ৰহণ কৰিলে?

- শ্ৰেণীৰ সকলোধৰণৰ ছাত্ৰ-ছাত্ৰীক শিকন কাৰ্যত নিয়োজিত কৰিবলৈ কেৱল ৪৫ মিনিট সময় আপোনাৰ বাবে পৰ্যাপ্ত নেকি?

**সামৰণি (Conclusion)**

**শিক্ষণ শিক্ষকৰ পেছাধাৰী বা বৃত্তিগত উন্নতি গ্ৰহণ পথ**(Teaching is the Roadmap of Teachers Professional Growth-try to understand it)

- শিক্ষক বৃত্তিত নিয়োজত শিক্ষাগুৰুৰ প্ৰয়োজনীয় জ্ঞান, দক্ষতা আৰু আত্মবিশ্বাসৰ সৈতে পেছাধাৰী হিচাপে প্ৰৱাহিত হ'ব তেতিয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াত দৃশ্য-শ্ৰাব্যসমলসমূহে শ্ৰেণীকক্ষৰ ৰূপান্তৰ আনিব আৰু শিকনৰ সৈতে শৈক্ষিক নেতৃত্বৰ বিকাশ অৱশ্যেই হ'ব।
- প্ৰধান শিক্ষকজনে শৈক্ষিক নেতৃত্ব বহন কৰিলে তেতিয়া বিদ্যালয়খনৰ শিক্ষকসকলে নিজৰ পেছাদাৰী বা বৃত্তিগত বিকাশিত আগবাঢ়ি যায়। প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে শিকনৰ দক্ষতা বৃদ্ধি কৰিব পাৰে।

যেতিয়া নেতৃত্ব বহনকাৰী প্ৰধান শিক্ষক বা শিক্ষয়িত্ৰীগৰাকীয়ে ব্যাখ্যামূলক মডেলেৰে পাঠদান কাৰ্যসূচী আগবঢ়াই নিয়ে তেতিয়া শিক্ষণ-শিকনশৈলী, শিক্ষাদানৰ সমল,জ্ঞানসমূহ শিকাৰুৰ জ্ঞাত হ'ব। তেওঁলোকে বুজিব পাৰিব। ফলত বিষয়ভিত্তিক শিক্ষাদান আৰু জ্ঞানৰ সমলবোৰ যেনে-পৰিৱেশ অধ্যয়ন, বিজ্ঞান, গণিত, সমাজ বিজ্ঞান আৰু ভাষা বিষয়ৰ শিক্ষাদান শৈলী শিক্ষণ-শিকন প্ৰক্ৰিয়াত প্ৰধান শিক্ষকে তত্ত্বাৱধান কৰিব আৰু পৰিদৰ্শন কৰি গঠনমূলক দিহা পৰামৰ্শ শিক্ষকক প্ৰদান কৰিব।

**ছাত্ৰ-ছাত্ৰীৰ শিকনৰ ফলাফল বিকাশৰ বাবে আপুনি শৈক্ষিক নেতৃত্বৰ বিকাশ কৰক(**Develop Your Academic Leadership and Professional Performance for Improving Learning Outcome of students)

প্ৰধান শিক্ষকৰ নেতৃত্বৰ ফলত বিদ্যালয়খনত প্ৰয়োজনীয় জ্ঞান, দক্ষতা আৰু শিক্ষামনোবৃত্তিৰ আধাৰত শিক্ষণ-শিকনৰ উন্নতি হোৱাৰ ফলত ছাত্ৰ-ছাত্ৰীৰ গুণগত মান উন্নত হয় লগতে পৰীক্ষাৰ ফলাফলে শীৰ্ষস্থান দখল কৰিব পাৰে। প্ৰধান শিক্ষকে নিজৰ কৰ্মদক্ষতাৰ বাবে বিদ্যালয়ৰ শিক্ষকজনক শিকন ৰূপান্তৰকৰণৰ প্ৰক্ৰিয়াত জড়িত কৰি কৰ্মক্ষেত্ৰৰ পৰিৱৰ্তন কৰিব পাৰে। শিক্ষকজনেও নিজৰ দায়িত্ববোৰ পালনেৰে ছাত্ৰ-ছাত্ৰীৰ বা সমাজখনৰ উন্নতিত বৰঙনি যোগাব পাৰে। শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ লগত বা বিষয়ৰ অৰ্হতা

আহৰণত শিক্ষকজনক সহযোগিতা কৰিব পাৰে। এনেবোৰ কাৰ্যৰ বাস্তৱ দিশলৈ মন কৰিলে তিনিটা মূলকাৰ্যত মন দিব লাগিব-

১) সক্ৰিয় শিকনৰ মূলনীতিবোৰ শিকি শিকনক বিকাশ কৰা।

২) শিক্ষাদান শৈলীৰ জ্ঞানবোৰ সম্পূৰ্ণৰূপে আহৰন কৰা।

৩) বিদ্যালয়খনৰ শৈক্ষিক বাতাবৰণ পৰ্যৱেক্ষণ কৰা।

শেষত ক'ব পাৰি ছাত্ৰ-ছাত্ৰীক জ্ঞানৰ উদ্দীপনা দিয়ক, সকলোৱে শিক্ষক হিচাপে মনত ৰাখিব। সক্ৰিয় জ্ঞান আহৰণৰ কাৰণে গুৰুত্ব প্ৰদান কৰক। বিদ্যালয়খনত শৈক্ষিক পৰিৱেশৰ সৃষ্টি কৰাত আপুনিও সহায়ৰ হাত আগবঢ়াওক।

সম্বন্ধীয় পাঠ্যপুথি/লিংক (References)


1. Awasthi. K. 2017: Academic Supervision & Feedback: Realizing the Potential of Field Level Leadership. http://ncsl.niepa.ac.in
2. Diwan Rashmi, 2013: Educational Leadership: A Conceptual framework (NIEPA)
3. Mythali. N. 2019: Goverance and Leadership for Achieving Higher Quality in School Education: A study of Sikkim
4. Change Leadership & School Improvement: Role of School Head. https://www.youtube.com/watch?v=hsfgfon8ig
5. National Institute for Excellence in Teaching-Evaluation System Handbook, 2011
6. National Initiative for School Heads and Teachers' Holistic Advancement (NISHTHA) Modules 2020, NCERT, New Delhi
7. www.adpima.com/managing.htm./www.learnne.org